মহান আল্লাহে কিয়ামতৰ দিনা জাহান্নামত একেবাৰে লঘু শাস্তি লাভ কৰা ব্যক্তিক ক'বঃ পৃথিৱীত থকা সকলো বস্তু যদি তোমাৰ হ'লহেঁতেন, তেন্তে এই শাস্তিৰ পৰা মুক্তি পাবলৈ তুমি সেই সকলোবোৰ বস্তু মুক্তিপণ হিচাপে দিলাহেঁতেন নে? সেই ব্যক্তিজনে ক'বঃ হয়।

আনাছ বিন মালিক ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "মহান আল্লাহে কিয়ামতৰ দিনা জাহান্নামত একেবাৰে লঘু শাস্তি লাভ কৰা ব্যক্তিক ক'বঃ পৃথিৱীত থকা সকলো বস্তু যদি তোমাৰ হ'লহেঁতেন, তেন্তে এই শাস্তিৰ পৰা মুক্তি পাবলৈ তুমি সেই সকলোবোৰ বস্তু মুক্তিপণ হিচাপে দিলাহেঁতেন নে? সেই ব্যক্তিজনে ক'বঃ হয়। তেতিয়া আল্লাহে ক'বঃ তুমি যেতিয়া আদমৰ পিঠিত আছিলা, তেতিয়া মই তোমাৰ পৰা ইয়াতকৈও অতি সহজ এটা বস্তু বিচাৰিছিলোঁ যে, তুমি মোৰ লগত শ্বিৰ্ক
নকৰিবা, কিন্তু তথাপিও তুমি মোৰ লগত শ্বিৰ্ক কৰিছা।" [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, জাহান্নামত একেবাৰে লঘু শাস্তিপ্ৰাপ্ত ব্যক্তিক মহান আল্লাহে ক'ব, যদি পৃথিৱীখন আৰু ইয়াৰ মাজৰ সকলো বস্তু তোমাৰ হ'লহেঁতেন তেন্তে তুমি এই শাস্তিৰ পৰা মুক্তি পাবলৈ সেই সকলোবোৰ সা-সম্পত্তি মুক্তিপণ হিচাপে আদায় দিলাহেঁতেননে? তেতিয়া সেই ব্যক্তিজনে ক'বঃ হয় নিশ্চয়। তেতিয়া মহান আল্লাহে ক'বঃ মই তোমাৰ ওচৰত ইয়াতকৈও সহজ এটা বস্তু বিচাৰিছিলোঁ আৰু একেবাৰে উজু এটা নিৰ্দেশ দিছিলোঁ যেতিয়া তুমি আদমৰ পিঠিত আছিলা, তেতিয়া মই তোমাৰ পৰা প্ৰতিশ্ৰুতি লৈছিলোঁ যে, মোৰ লগত শ্বিৰ্ক নকৰিবা। কিন্তু তুমি সেই প্ৰতিশ্ৰুতি ভংগ কৰিছা, আৰু পাৰ্থিৱ জীৱনত শ্বিৰ্ক কৰিছা।

http://sunnah.global/hadeeth/as/show/8315